Class XII
Assamese
Sample Question Paper-2019

Code No. 114

Instructions

- Please check that this question paper contains 5 printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains 13 questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

সময়ঃ 3 ঘণ্টা | সৰ্বমুঠ নম্বৰ ঃ 100

***Time allowed: 3 hours*** | ***Maximum Marks: 100***

## Class: XII

P.T.O.

## SECTION - A

1. (ক) (i) পাঁচনী ক্রিয়া কাক বোলে? উদাহৰণৰ সহায়ত বুজাই লিখা। (2)

(ii) যিবোৰ ক্রিয়াৰ সকলো কাল আৰু সকলো পুৰুষতে ৰূপ নহয়, তেনে ক্রিয়াক কি বোলে? (1)

(iiii) সকর্মক ক্রিয়াৰ এটি উদাহৰণ দিয়া। (1)

(iv) কেৱলীয়া কৰ্ত্তা বুলিলে কি বুজা? (1)

(v) সমিধান বোধক অব্যয় কি? (1)

(vi) হর্ষ আৰু বিষাদ ভাৱ প্রকাশক অব্যয় একোটাকৈ উল্লেখ কৰি একোটা বাক্য সাজা। (1+1=2)

(খ) (i) দ্বিৰুক্ত অনুৰূপ কাক বোলে? উদাহৰণৰ সহায়ত লিখা। (1+1=2)

(ii) চাকৰ-নাকৰ, মা-মছলা, ৰূপ-বান - এইবোৰ কি অনুৰূপ? (1)

(iiii) ধন্যাত্মক শব্দ বুলিলে কি বুজা? (1)

(গ) যত্ব বিধি হোৱাৰ কাৰণ দৰ্শোৱা - (3)

যুধিষ্ঠিৰ, ষোড়শ, বিষাদ

(ঘ) (i) তলৰ বাক্যদুটাৰ কোনটো কি সমাস লিখা। (2)

(অ) দুই পৰৰ সমাহাৰ

(আ) পদ্ম আছে নাভিত যাৰ

(ii) তলত দিয়াবোৰৰ ব্যাস বাক্য ভাঙি দেখুৱাই সমাসৰ নাম লিখা (যিকোনো দুটাৰ) (2)

ভাই-ককাই, বাটচ'ৰা, দীঘল হাত

(iii) ব্যতিহাৰ বহুব্রীহি কাক বোলে? (1)

(iv) বহুব্রীহি আৰু কর্মধাৰয় সমাসৰ এটা তুলনামূলক টোকা লিখা। (2)

(v) মধ্য পদলোপী কর্মধাৰয় সমাসৰ এটি উদাহৰণ দিয়া। (1)

(ঙ) (i) পঞ্চমী বিভক্তিৰ চিন যোগ কৰি এটা বাক্যত লিখা। (1)

(ii) তলত আঁচটানা শব্দটোৰ বিভক্তিৰ নাম লিখা। (1)

লংকাধিপতি ৰাৱণে <u>সীতাক</u> হৰণ কৰি লংকালৈ নিছিল।

(চ) (i) 'গ্ৰন্থ' শব্দটোত বহুবচনৰ চিন ব্যৱহাৰ কৰি এটা বাক্য গঠন কৰা। (1)

(ii) বহুবচন বুজোৱা শব্দ 'থুপি' আৰু 'থোক'ৰে দুটা শব্দ গঠন কৰা। (1)

(ছ) এটা শব্দত প্ৰকাশ কৰা - (1x4=4)

(i) যাক বৰ্ণনা কৰিব নোৱাৰি -

(ii) যাৰ আগমন আহ্বান কৰা হয় -

(iii) যি নিয়মমতে খৰচ নকৰে -

(iv) যাক সহজতে ভাঙিব পাৰে -

(জ) বাক্য ৰচনা কৰা - (4)

আঁঠুৱাৰ তলৰ মহ, খামি-ডাঠ,

অপাৰ সমুদ্ৰ, ধোদৰ-পচলা

## SECTION - B

**2.** ভাৱ বহলাই লিখা - *(এটাৰ)* (5)

(ক) মানুহৰ জীৱনৰ আৰ্হি অব্যৰ্থ বীজ সি সকলো ঠাইতে গজে।

(খ) শ্ৰম সিদ্ধি লাভৰ অমোঘ অস্ত্ৰ।

**3.** যিকোনো এটা বিষয় লৈ এখন ৰচনা লিখা। (10)

(ক) শাৰদীয় উৎসৱ

(খ) জাতিৰ পিতা মহাত্মা গান্ধী

## SECTION - C

**4.** তলৰ যিকোনো এছোৱাৰ তাৎপৰ্য্য ব্যাখ্যা কৰা - (4)

(ক) 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিৰ নামকৰণৰ তাৎপৰ্য্য বিশ্লেষণ কৰা।

(খ) প্ৰকৃততে মহাপুৰুষ সকলৰ পদাংক অনুসৰণ কৰি প্ৰত্যেক মানুহে নিজক উন্নতিৰ পথেৰে পৰিচালিত কৰিব পাৰে।

**5.** (ক) আনন্দৰাম বৰুৱা যে প্ৰকৃত জ্ঞানী আছিল, সেই কথা পাঠটিত কিদৰে বৰ্ণনা কৰিছে, চমুকৈ লিখা। (6)

নাইবা

(খ) ৰেলৰ দ্বিতীয় শ্ৰেণীৰ খোটালিত লেখকে নৰিয়া পৰা ল'ৰা এজনৰ সৈতে কৰা যাত্ৰাৰ বিষয়ে লিখা।

6. (i) চমু পৰিচয় কাৰ দিয়া - *(2 টাৰ)* **(2x2=4)**

(ক) ৰুবায়ৎ

(খ) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

(গ) যতীন্দ্ৰ নাথ দুৱৰাৰ কাব্যকৃতি

(ii) "টকা নাই, ঘড়ী নাই, আনকি এখন ৰুমালো নাই, মই মোৰ লগত একোকে অনা নাছিলো।"
- কোনে কাক কি প্ৰসংগত এই কথাষাঁৰ কৈছিল? **(2)**

**7.** তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া - **(1x4=4)**

(ক) চিঠি গল্পটো শীলভদ্ৰৰ কোনখন সংকলনৰ পৰা লোৱা হৈছে?

(খ) কথা-কবিতা অসমীয়া কাব্য জগতত কেতিয়াৰ পৰা সৃষ্টি হৈছিল?

(গ) মগনিয়াৰ আৰু কবিৰ মাজত সাদৃশ্য থকা বিষয়টো কি?

(ঘ) ভৃদেৱ চৌধাৰীয়ে টিংখং লৈ কিয় গৈছিল?

**8.** প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা *(এটাৰ)* - **(4)**

(ক) "সৱ পুৰুষৰ শিৰৰ ভূষণ,
তুমিসে বাপু গোবিন্দ।।"

(খ) "তেৱেঁ কাম তেৱেঁ কৰ্মা তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্ব খনিকৰ।"

**9.** বৰগীতটোৰ মাজেৰে যশোদাৰ মাতৃ স্নেহ কিদৰে প্ৰকাশিত হৈছে, বুজাই লিখা। **(6)**

নাইবা

"তেৱেঁ যোগী তপস্বীও তেৱেঁ বাজীকৰ
তেৱেঁ ধনী, তেৱেঁ ধন -
গোমোস্তা, ও মহাজন।" - ইয়াত 'ও' শব্দটো কি অৰ্থত ব্যৱহাৰ হৈছে? এই চৰণটোক দাৰ্শনিক ভাৱৰ পদ বুলিব পাৰিনে বুজাই লিখা।

10. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া - (2x3=6)

(ক) 'সৰ পুৰুষৰ শিৰৰ ভূষণ' - বুলি কোনে কাক, কিয় কৈছে?

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটক সমূহ কি কি?

(গ) কবি হাজৰিকাই কাক বিশ্ব খনিকৰ নামেৰে নামাংকন কৰিছে?

11. তলৰ প্ৰশ্নবোৰৰ যথাযথ উল্লেখ কৰা - (1x4=4)

(ক) 'মা আমি শদিয়ালৈ যামেই' - গ্ৰন্থখন কাৰ ৰচনা?

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটক খন কি?

(গ) কিমান চনত মফিজুদ্দিন আহমদ হাজৰিকাৰ 'জ্ঞানমালিনী' প্ৰকাশ পায়?

(ঘ) বৰগীতৰ ভাষা কি?

12. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা - (2x3=6)

(ক) প্ৰয়োগবাদী দাৰ্শনিক সকলে মূল্যবোধক কি দৃষ্টি-ভংগীৰে বিচাৰ কৰে?

(খ) মূল্যবোধৰ প্ৰকাৰ সমূহ কি কি?

(গ) নৈতিক মূল্যবোধৰ ওপৰত এটি টোকা লিখা।

(ঘ) চিৰন্তন মূল্যবোধ সম্পৰ্কে চমুকৈ লিখা।

13. অতি চমু উত্তৰ দিয়া - (1x4=4)

(ক) ভাৰতীয় দৰ্শনে মূল্যবোধক চাৰিটা ভাগত ভাগ কৰিছে, সেই ভাগকেইটা কি কি?

(খ) ভাৰতীয় মূল্যবোধত এক অভিনৱ সংযোজন কি?

(গ) 'নৈতিক' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ কি?

(ঘ) নন্দনতাত্ত্বিক মূল্যবোধক আন কি বুলি অভিহিত কৰিব পাৰি?

=========000=========